
# বনৌষধিৰে আকস্মিক ৰোগৰ চিকিৎসা

ডা° গণেশ চন্দ্ৰ দেৱশৰ্মা



অসম বিজ্ঞান সমিতি

# পৰিৱেশ উপসমিতিৰ দুআষাৰ

অসম বিজ্ঞান সমিতিয়ে বহু বছৰৰ আগৰপৰাই পৰিৱেশৰ কিছুমান নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত পৰিৱেশ সচেতনতা অভিযান (W.E.A.C.) অনুষ্ঠিত কৰি আহিছে। যোৱা বছৰো, ১৯৯৬-৯৭ত 'বনৌষধি'ক মূল বিষয়বস্তু হিচাপে লৈ এই অভিযানৰ বিভিন্ন কাৰ্য্যসূচী ৰাজ্যখনৰ চুকেকোণে অনুষ্ঠিত কৰা হয়। বনৌষধিৰ ওপৰত কাৰ্যসূচী অনুষ্ঠিত কৰোঁতে আমি লক্ষ্য কৰিছোঁ যে বনৌষধিৰদ্বাৰা ৰোগৰ চিকিৎসা, বিশেষকৈ, আকস্মিক ৰোগৰ চিকিৎসা সম্পৰ্কে ৰাইজৰ মাজত তথ্যসম্বলিত পুস্তিকাৰ অভাৱ। এই অভাৱ আংশিকভাৱে হ'লেও পূৰণ কৰাৰ বাবে "বনৌষধিৰে আকস্মিক চিকিৎসা" নামৰ এখনি সৰু পুস্তিকা প্ৰস্তুত কৰি উলিওৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। লগতে সমিতিয়ে বনৌষধিৰদ্বাৰা চিকিৎসা সম্পৰ্কে আন এখনি বিস্তৃত কিতাপ প্ৰকাশৰ যোজা কৰি আছে।

অসম আয়ুৰ্বেদিক কলেজৰ অধ্যাপক ডাঃ গণেশ দেৱ শৰ্মাদেৱে উক্ত কিতাপখন কম সময়ৰ ভিতৰত সুন্দৰকৈ লিখি উলিওৱাৰ বাবে পৰিৱেশ উপ-সমিতিৰ তৰফৰপৰা তেখেতক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। লগতে কিতাপখন প্ৰকাশ কৰাত বিভিন্ন ধৰণে সহায় আগ বঢ়োৱা বাবে ডঃ মোহন চন্দ্ৰ কলিতা আৰু প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক শ্ৰীবসন্ত ডেকাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আশাকৰোঁ এই পুথিখনে সাধাৰণ ৰাইজৰ সমাদৰ লাভ কৰিব।

তাৰিখ ২৩/১২/৯৭

নজিবুদ্দিন আহমেদ
*আহ্বায়ক*
পৰিৱেশ উপসমিতি
অসম বিজ্ঞান সমিতি।

# আগকথা

ভাৰতবৰ্ষৰ ভিতৰতে অসম এখন চিৰসেউজীয়া প্ৰদেশ। ই বনৌষধিৰে পৰিপূৰ্ণ। এই বনৌষধিৰে কেনেদৰে আকস্মিক ৰোগৰপৰা নিৰাময় পাব পাৰি "বনৌষধিৰে আকস্মিক ৰোগৰ চিকিৎসা" এই সৰু হাতপুথিখনত বৰ্ণনা কৰা হৈছে। ইয়াৰদ্বাৰা অসমৰ জনসাধাৰণৰ উপকাৰ হ'লে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব।

পুথিখন পোহৰলৈ আনিবলৈ অসম বিজ্ঞান সমিতিয়ে সকলো দায়িত্ব লোৱাৰ বাবে এই চেগতে অসম বিজ্ঞান সমিতিৰ সকলো কৰ্মকৰ্তা বিশেষকৈ সমিতিৰ শ্ৰীনজিবুদ্দিন আহমেদ, শ্ৰীবসন্ত ডেকা আৰু ড° মোহন কলিতাক ব্যক্তিগতভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ। পুথিখন যুগুত কৰাত মৰমৰ ছাত্ৰ ডা° পবিত্ৰ দাসৰ সহায়ৰ বাবেও তেওঁ ধন্যবাদৰ পাত্ৰ।

২৫ ডিছেম্বৰ, ১৯৯৭

ডা° গণেশ চন্দ্ৰ দেৱ শৰ্মা, এমডি (আয়ু)
বিভাগাধ্যক্ষ, দ্ৰব্যগুণ-ৰসশল্য বিভাগ
চৰকাৰী আয়ুৰ্বেদ কলেজ
গুৱাহাটী - ৭৮১০২৪

# বনৌষধিৰে আকস্মিক ৰোগৰ চিকিৎসা

## শৰীৰৰ কোনো ঠাইত কাটিলে :

**চিকিৎসা ১ :** দুবৰি বন পৰিস্কাৰকৈ পানীৰে ধুই অলপমান চাউলৰ লগত মিহিকৈ বটি কটা ঠাইত ভালদৰে লেপি বেণ্ডেজ কৰি দিলে লগে-লগে তেজ ওলোৱা বন্ধ হয় আৰু ঘাঁও সোনকালে শুকায়। তিনিদিন বেণ্ডেজ খুলিব নেলাগে।

**চিকিৎসা ২ :** তুলসীৰ পাত ভালদৰে হাতত মোহাৰি কটা ঠাইত লগাই বেণ্ডেজ কৰি দিলেও তেজ বন্ধ হয় আৰু ঘাঁও শুকাই যায়।

**চিকিৎসা ৩ :** নীলা অপৰাজিতা ফুলৰ পাত ভালদৰে মোহাৰি বা মিহিকৈ বটি কটা ঘাঁত লগাই বেণ্ডেজ কৰি দিলে তেজ ওলোৱা বন্ধ হোৱাৰ লগতে ঘাঁও সোনকালে শুকায়।

**চিকিৎসা ৪ :** জামু গছৰ পাতৰ ৰস কটা ঠাইত লগাই দিলে বা ঘাঁ গভীৰ হ'লে পাত মিহিকৈ বটি কটা ঠাইত লেপ দি বেণ্ডেজ কৰি দিলে তেজ ওলোৱা বন্ধ হোৱাৰ লগতে ঘাঁও শুকায়।


**চিকিৎসা ৫ :** আমলখিৰ ৰস বা আমলখি ফলৰ গুটি উলিয়াই লৈ অকল সাহখিনি মিহিকৈ বটি কটা ঘাঁত লগালে তেজ ওলোৱা বন্ধ হয় আৰু ঘাঁও সোনকালে শুকায়।

**চিকিৎসা ৬ :** ভোমোৰা গছৰ ফলৰ খুব মিহি গুড়ি কটা ঘাঁত ছটিয়াই দিলেও তেজ ওলোৱা বন্ধ হয় আৰু ঘাঁ শুকায়।

**চিকিৎসা ৭ :** অশোক ফুলৰ গছৰ বাকলিৰ মিহি গুড়ি কটা ঘাঁত ছটিয়াই দিলেও তেজ ওলোৱা বন্ধ হোৱাৰ লগতে ঘাঁ শুকায়।

## জুয়ে পুৰিলে :

**চিকিৎসা ১ :** ছালকুঁৱৰীৰ পাতৰ মজ্জা (পাতৰ ভিতৰৰ বিজলুৱা অংশ) উলিয়াই জুয়ে পোৰা ঠাইত লেপ দিলে জোলা নুফুটে আৰু পোৰণি কমি যায়।



হাতখনত জুয়ে পুৰিছে।



জুয়ে পোৰা ঠাইত লেপ লগাইছে।

**চিকিৎসা ২ :** অমিতাৰ আঠা পোৰা ঠাইত লগাই দিলে জোলা নুফুটে আৰু পোৰণি কমি যায়। কিন্তু জুয়ে পোৰা ঘাঁ গভীৰ হ'লে ইয়াক ব্যৱহাৰ নকৰিব।

**চিকিৎসা ৩ :** জুয়ে পোৰা ঠাইত যেতিয়ালৈ পোৰণি নকমে তেতিয়ালৈ বৰফ লগাই ৰাখিব নতুবা জুয়ে পোৰা অংগ পানীত জুবুৰিয়াই ৰাখিব। তেতিয়া জোলা নুফুটে।

**চিকিৎসা ৪ :** পোৰাৰ লগে-লগে পোৰা ঠাইত জুইৰ তাপ দিব। যেতিয়া পোৰণি কমিব তাপ দিয়া বন্ধ কৰিব। ইয়াৰ ফলতো জোলা নুফুটে।

**চিকিৎসা ৫ :** নতুন আলু পুৰি লগে-লগে লেপ দিলেও জোলা নুফুটে আৰু পোৰণি কমে।

**চিকিৎসা ৬ :** মাটিত সৰিয়হৰ তেল পেলাই তাৰ লগতে অকণমান পানী আৰু লৱণ দি ভালদৰে মিহলাই লগে-লগে পোৰা ঠাইত লেপ দিলে জোলা নুফুটে আৰু পোৰণি কমি যায়।

## শৰীৰৰ কোনো ঠাই কোনো আঘাতৰ বাবে ফুলি বিষ বেছি হ'লে :

**চিকিৎসা ১ :** কেঁচা হালধি মিহিকৈ বটি আঘাত পোৱা ঠাইত ভালদৰে লেপ দিলে ফুলা আৰু বিষ কমি যায়।

**চিকিৎসা ২ :** ভেদাইলতাৰ পাত আৰু পচতীয়াৰ পাত একে সমানে লৈ মিহিকৈ বটি লেপ দিলে ফুলা আৰু বিষ কমি যায়।

**চিকিৎসা ৩ :** মানিমুনি মিহিকৈ বটি লেপ দিলেও ফুলা আৰু বিষ উপশম হয়।

**চিকিৎসা ৪ :** তিতা ভেকুৰিৰ গোটেই গছডাল বটি লেপ দিলে আঘাতজনিত বিষ আৰু ফুলা নোহোৱা হয়।

**চিকিৎসা ৫ :** খেজুৰৰ গুটিৰ সাহ পানীৰ লগত মিহিকৈ বটি লেপ দিলেও খুব সোনকালে বিষ কমাৰ লগতে ফুলাও কমি যায়।

**চিকিৎসা ৬ :** তুলসীৰ গুটি পানীত তিয়াই থ'লে কিছু সময়ৰ পিচত যেতিয়া গুটিবোৰ ভিজি ভালদৰে ফুলি উঠিব তেতিয়া প্ৰথমে এখন পাতল কাপোৰ আঘাত পোৱা স্থানত মেৰিয়াই লৈ তাৰ ওপৰত উক্ত তুলসীৰ গুটিৰ লেপ দিলে ফুলা কমাৰ লগতে বিষো নাইকিয়া হয়।

**চিকিৎসা ৭ :** আকণৰ পাতৰ ওপৰৰ পিনে ঘিঁউ বা তেল অলপ সানি লৈ জুইত তাপ দি সেই পাতেৰে বিষ হোৱা ঠাইত সেক দিলে বিষ খুব সোনকালে কমি যায়।

**চিকিৎসা ৮ :** ভোমোৰাৰ ফুলৰ সাহ অলপ পানীৰ লগত মিহিকৈ বটি আঘাত পোৱা ঠাইত লেপ দিলে বিষ আৰু ফুলা নাশ হয়।

**চিকিৎসা ৯ :** বক ফুলৰ পাত মিহিকৈ বটি লেপ দিলেও ফুলা আৰু বিষ নিবাৰণ হয়।

**চিকিৎসা ১০ :** গণিয়াৰী গছৰ কোমল পাত মিহিকৈ বটি বিষ হোৱা ঠাইত লেপ দিও ফুলা আৰু বিষ কমাব পাৰি।

**চিকিৎসা ১১ :** ইকুনা গছৰ শিপাৰ বা গছৰ বাকলি মিহিকৈ বটি লেপ দিলেও ফুলা আৰু বিষ ভাল হয়।

**চিকিৎসা ১২ :** কেঁচা হালধি ২ ভাগ, চজিনা গছৰ বাকলি আধা ভাগ, পচতীয়াৰ কোমল পাত ১ ভাগ, একেলগে খুব মিহিকৈ বটি আঘাত

পোৰা ঠাইত লেপ দি এৰাৰ পাতেৰে বান্ধি ৰাখিলে খুব সোনকালে বিষ আৰু ফুলা কমি যায়।

## যি কোনো কাৰণতে নাকেৰে তেজ ওলালে :

**চিকিৎসা ১ :** দুবৰি বন পৰিস্কাৰকৈ ধুই লৈ ঠেতেলাই ৰস উলিয়াই পৰিষ্কাৰ কাপোৰেৰে ভালদৰে চেকি লৈ তাৰ লগত অলপ মৌ মিহলি কৰি ২৫-৫০ মিলি. মান খাব লাগে। এই ৰসত কপাহ তিয়াই লৈ নাকত সোপা দিলে বা ফোটা-ফোটাকৈ নাকত দিলে তেজ ওলোৱা লগে-লগে বন্ধ হয়।

**চিকিৎসা ২ :** ডালিমৰ ফুলৰ ৰস ২-৩ ফোটা নাকেৰে টানিলে তেজ পৰা বন্ধ হয়।

**চিকিৎসা ৩ :** পুৰণি কপাহ পুৰি তাৰ ধোঁৱা নাকেৰে ল'লে তেজ পৰা বন্ধ হয়।

## যি কোনো কাৰণত তেজ বমি কৰিলে :

**চিকিৎসা ১ :** বাহকাৰ পাতৰ ৰস ২০-৩০ মিলি.ৰ লগত ৫-১০ গ্ৰাম মৌ মিহলি কৰি দিনত ২-৩ বাৰ খালে তেজ বমি বিশেষকৈ হাঁওফাঁওৰ ৰোগৰপৰা হোৱা তেজ বমি বন্ধ হয়।

**চিকিৎসা ২ :** দুবৰিৰ ৰস ২০-৩০ মিলি.ৰ লগত অলপ মিছিৰি বা চেনি লৈ দিনত ২-৩ বাৰ খালে তেজ বমি কমি যায়।

**চিকিৎসা ৩ :** ৩-৬ গ্ৰাম অৰ্জুন গছৰ বাকলিৰ গুড়িৰ লগত সমপৰিমাণে ৰঙা চন্দনৰ গুড়ি মিহলি কৰি অলপ চেনিৰ লগত চাউলধোৱা পানীৰে ২-৩ বাৰ খালে তেজ বমি নাশ হয়।

## মৃগী ৰোগত আক্ৰান্ত হ'লে :

**চিকিৎসা ১ :** জালুক এটা বেজী এটাৰে বিন্ধাই লৈ জুই লগাই দিলে তাৰপৰা ধোঁৱা ওলাবলৈ আৰম্ভ কৰিব। সেই ধোঁৱা ৰোগীৰ নাকৰ ওচৰত ধৰিলে ধোঁৱা ভিতৰলৈ যোৱাৰ লগে-লগে ৰোগীয়ে জ্ঞান ফিৰাই পায়।

## শ্বাস (হাপানি) ৰোগৰ বাবে শ্বাস-প্ৰশ্বাস লোৱাত কষ্ট হ'লে :

**চিকিৎসা ১ :** ধতুৰা আৰু কটা বেঙেনাৰ গোটেই গছডাল আনি সৰু-সৰুকৈ কাটি ৰ'দত শুকাই তাক গুড়ি কৰি পাতল কাগজৰে চিগাৰেটৰ দৰে বনাই বা পাইপৰ সহায়ত তাৰ ধোঁৱা খালে এনে শ্বাস-কষ্ট লগে-লগে কমি যায়।

**চিকিৎসা ২ :** ভোমোৰাৰ ফলৰ এটা গুটিৰ সাহ গুড়ি কৰি তাৰ লগত পইতাচোৰা ৩-৪ টাৰ মূৰকিটা চিঙি দিলে যি গাখীৰসদৃশ তৰল পদাৰ্থ পোৱা যায় তাক মিহলি কৰি অলপমান মৌৰ লগত চেলেকি খালে লগে-লগে শ্বাস-কষ্ট নিবাৰণ হয়।

**চিকিৎসা ৩ :** হালধিৰ গুড়ি ৪ গ্ৰামৰ লগত গুড় ৫ গ্ৰাম আৰু অলপমান সৰিয়হৰ তেল ভালদৰে মিহলি কৰি অলপ-অলপকৈ বাৰে-বাৰে চেলেকি খালে শ্বাস-কষ্ট কমি যায়।

**চিকিৎসা ৪ :** শিলিখাৰ গুড়িৰে চিগাৰেট বনাই তাৰ ধোঁৱা খালে শ্বাস-কষ্ট উপশম হয়।

**চিকিৎসা ৫ :** অগৰু গছৰ সাৰ পানীৰ লগত শিলত ঘঁহি চন্দন তুলি তাৰে ৩-৫ গ্ৰাম গৰম পানী ৫০ মিলি.ৰ লগত খালে শ্বাস-কষ্ট নাশ হয়।

## যি কোনো কাৰণত বমি হ'লে বা বমিৰ ভাব হ'লে :

**চিকিৎসা ১ :** গছতে শুকাই যোৱা আঁহত গছৰ বাকলি পুৰি পানীত তিঁয়াই সেই পানী চেকি লৈ অলপ-অলপকৈ বাৰে-বাৰে খালে বমি বা বমিৰ ভাব নাশ হয়। গৰ্ভৱতী তিৰোতাৰ বমিৰ ভাব বা বমি হ'লে ই অতি উত্তম ঔষধি।

**চিকিৎসা ২ :** কৃমিৰ বাবে বমি হ'লে নেমুটেঙাৰ গুটি চোবাই খালে ভাল হয়।

**চিকিৎসা ৩ :** নেমুটেঙাৰ পাত মোহাৰি শুঙিলেও বমি নাইবা বমিৰ ভাব নাশ হয়।

**চিকিৎসা ৪ :** অতি তিতা হালধীয়া পানীসদৃশ বমি হ'লে চিৰতা ৫ গ্ৰাম ভালদৰে ঠেতেলাই ২০০ মিলি. গৰম পানীত ২-৩ ঘণ্টা সময় তিয়াই

ৰাখি পিছত চেকি লৈ সেই পানী অলপ-অলপকৈ কেইবাৰমান খালে বমি কমি যায়।

**চিকিৎসা ৫ :** জামু গছৰ কোমল পাত ২-৩ টা, ১০০ মিলি. পানীত সিজাই চেপি লৈ ঠাণ্ডা হ'লে সেই পানী অলপ-অলপকৈ সঘনাই খালে বমি বন্ধ হয়।

**চিকিৎসা ৬ :** বগা চন্দনৰ গুড়ি ৩-৬ গ্ৰামৰ লগত আমলখিৰ ৰস ১০-২০ মিলি. আৰু অলপ মৌ মিহলি কৰি খালে বমি বন্ধ হয়।

**চিকিৎসা ৭ :** মহানিমৰ পাতৰ ৰস ১০-২০ মিলি. অলপ গৰুৰ গাখীৰৰ লগত খালে বমি বন্ধ হয়।

**চিকিৎসা ৮ :** দুবৰি বনৰ ৰস ১০-২০ মিলি.ৰ লগত ৫ গ্ৰাম চেনি আৰু অকণমান চুণৰ পানী মিহলাই খালে বমি বন্ধ হয়।

**চিকিৎসা ৯ :** আখৈৰ গুড়িৰ লগত নেমু টেঙাৰ ৰস অলপ মিহলি কৰি খালেও বমি বন্ধ হয়।

**চিকিৎসা ১০ :** পদিনাৰ পাত মোহাৰি শুঙিলে বমি ভাব নাশ হয়।

## প্ৰস্ৰাৱ কৰাত অতি কষ্ট, খুব কম পৰিমাণে বা টোপ-টোপকৈ প্ৰস্ৰাৱ হ'লে, নাইবা প্ৰস্ৰাৱ কৰোঁতে পোৰণি হ'লে :

**চিকিৎসা ১ :** পাতে গজাৰ পাতৰ ৰস ১০-২০ মিলি. দিনত ২-৩ বাৰ খুৱাব। পাতে গজাৰ পাত ভালদৰে ঠেতেলাই বা বটি তলপেটত ভৰণ (লেপ) দিলে প্ৰস্ৰাৱ সঠিকভাৱে হয় আৰু উপৰোক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ২ :** বগা বা ৰঙা পুনৰ্নৱাৰ ৰস ১০-২০ মিলি. দিনত ২-৩ বাৰকৈ খালে সুফল পোৱা যায়।

**চিকিৎসা ৩ :** চেপতি কপাহৰ কোমল পাত ৩-৪ টা গৰুৰ গাখীৰৰ লগত মিহিকৈ বটি চেপি লৈ গৰুৰ গাখীৰৰ লগত খালে প্ৰস্ৰাৱৰ বিকাৰ নিৰাময় হয়।

**চিকিৎসা ৪ :** তিতা ভেকুৰিৰ শিপাৰ গুড়ি ১ গ্ৰাম মঠা গৰুৰ দৈৰ ঘোলৰ লগত দিনত ২-৩ বাৰকৈ খালে প্ৰস্ৰাৱৰ বিকাৰ উপশম হয়।

**চিকিৎসা ৫ :** দুধকুড়ি গছৰ কেঁচা শিপাৰ বাকলি ৫-১০ গ্ৰাম গৰুৰ গাখীৰৰ লগত মিহিকৈ বটি দিনত ২-৩ বাৰ খালে প্ৰস্ৰাৱ পৰিস্কাৰ হৈ পোৰণি কমি যাব।

**চিকিৎসা ৬ :** খেজুৰৰ নতুন তাৰি ৫০-১০০ মিলি. অলপ মিছিৰি মিহলি কৰি খালে প্ৰস্ৰাৱৰ উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ৭ :** আমলখি ফলৰ ৰস ২০ মিলি. সমভাগ মিছিৰি গুড়িৰ লগত দিনত ২-৩ বাৰ খালে উক্ত বিকাৰ নিবাৰণ হয়।

**চিকিৎসা ৮ :** ডালিমৰ গুটিৰ ৰস ২০-৫০ মিলি.ৰ লগত গোক্ষুৰৰ ফলৰ গুড়ি ১-২ গ্ৰাম মিহলি কৰি দিনত দুবাৰকৈ খালে প্ৰস্ৰাৱৰ বিকাৰ উপশম পায়।

**চিকিৎসা ৯ :** এৰাৰ পাতৰ ৰস ৫-১০ মিলি. দিনত ৩-৪ বাৰকৈ খালে সকলো বিকাৰ নাশ হৈ ভালদৰে প্ৰস্ৰাৱ হয়।

**চিকিৎসা ১০ :** দুবৰি বনৰ শিপা ২০ গ্ৰাম ভালদৰে খুন্দি লৈ ৫০০ মিলি. পানীত সিজাই যেতিয়া ১০০ মিলি. পানী থাকিবগৈ তেতিয়া জুইৰপৰা নমাই ঠাণ্ডা হ'লে চেপি লৈ (ই একমাত্ৰা) দিনত ৩-৪ বাৰকৈ খালে সুফল পোৱা যায়।

**চিকিৎসা ১১ :** ব্ৰাহ্মী শাকৰ ৰস ১০-২০ মিলি. গৰুৰ গাখীৰ ৩০-৫০ মিলি.ৰ লগত দিনত ২ বাৰকৈ খালে ৰোগ নিৰাময় হয়।

**চিকিৎসা ১২ :** ভেদাইলতাৰ ৰস ১০-২০ মিলি. কেঁচা গৰুৰ গাখীৰ ৫০-১০০ মিলি.ৰ লগত দিনত দুবাৰকৈ খালে প্ৰস্ৰাৱৰ বিকাৰ উপশম হয়।

**চিকিৎসা ১৩ :** শতমূলাৰ কহ ৫০-১০০ মিলি.কৈ দিনত দুবাৰ খালে উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ১৪ :** পদিনাৰ পাত ৮-২০ গ্ৰাম বটি ২০০ মিলি. ঠাণ্ডা পানীত গুলি অকণমান লৱণ আৰু নেমু টেঙাৰ ৰস দি চৰবত হিচাপে দিনত ২-৩ বাৰ খালে ফল পোৱা যায়।

**চিকিৎসা ১৫ :** হেলচী পাতৰ ৰস ৫-১০ মিলি. ছাগলীৰ গাখীৰ ২০-৪০ মিলি.ৰ লগত দিনত দুবাৰকৈ খালে প্ৰস্ৰাৱ থিকমতে হয়।

**চিকিৎসা ১৬ :** সিজুৰ পাত ঠেতেলাই অলপ গৰম কৰি তলপেটত ভৰণ দিলে কিছু সময়ৰ ভিতৰতে ভালদৰে প্ৰস্ৰাৱ হয়।

**চিকিৎসা ১৭ :** ১০-২০ মিলি. পকা কৰৈদে টেঙাৰ ৰস ২০-৩০ মিলি. পানী, অলপ চেনি আৰু লৱণ মিহলি কৰি খালে অতি সুফল পোৱা যায়।

## যি কোনো কাৰণত গাত চকা-চকি দি উঠি, খজুৰতি হ'লে আৰু ৰঙা পৰিলে (certicaria) :

**চিকিৎসা ১ :** তিতাকেৰেলাৰ পাতৰ ৰস গাত সানিলে সুফল পোৱা যায়।

**চিকিৎসা ২ :** কেঁচা হালধিৰ ৰস বা গুড়ি গাত সানিলেও এনে বিকাৰ উপশম হয়।

**চিকিৎসা ৩ :** চিৰতা ৪-৫ গ্ৰাম আধা গুড়ি কৰি আগদিনা গধূলি ২৫০ মিলি. গৰম পানীত তিয়াই ঢাকি থৈ পিছদিনা ৰাতিপুৱা চেপি লৈ সেই পানীখিনি দিনত ২-৩ বাৰ খালে উক্ত বিকাৰ নাশ হোৱাৰ লগতে শৰীৰৰ যি কোনো অঙ্গৰপৰা হোৱা ৰক্তস্ৰাৱ, তেজহাগনি আৰু প্ৰস্ৰাৱৰ কষ্ট নাশ হয়।

**চিকিৎসা ৪ :** দাদিগদিগাৰ শিপা খুব মিহিকৈ গুড়ি কৰি ১-৩ গ্ৰামকৈ অলপ গৰুৰ ঘিঁউৰ লগত দিনত দুবাৰকৈ খালে উক্ত বিকাৰ কমি যায়।

**চিকিৎসা ৫ :** অগৰু গছৰ বাকলি পানীৰ লগত মিহিকৈ বটি গাত সানিলে ভাল হয়।

**চিকিৎসা ৬ :** গছতে পকা গমাৰিৰ ফল ৩-৬টাৰ গুটি গুচাই গৰুৰ গাখীৰত সিজাই চেপি লৈ দিনত ২ বাৰকৈ খালে উক্ত বিকাৰ নিৰাময় হয়।

## আতপাঘাত (sunstroke) হ'লে :

**চিকিৎসা ১ :** সাধাৰণতে অসমত এই বেমাৰ নহয়। ৰাজস্থান আদি গৰম প্ৰদেশত হয়। ইয়াকে 'লু' লগা বুলিও কয়। এনে অৱস্থাত মানুহৰ শৰীৰ পুৰি যোৱাৰ দৰে লাগে। এনে অৱস্থাত কেঁচা আম পুৰি তাৰ সাহখিনি মিহিকৈ বটি গাত লেপ দিয়াৰ লগতে এই বটা পানীৰে চৰবত বনাই খালে উক্ত বিকাৰ নিৰাময় হয়।

## মৰামূৰ্চ্ছা (coma or apoplexy) :

**চিকিৎসা ১ :** ২৫০-৫০০ মিগ্ৰা. হিং ১০-২০ ফোটা মৌৰ লগত মিহলি কৰি অলপ-অলপকৈ বাৰে-বাৰে জিভাত লগাই খালে সুফল পোৱা যায়।

লগতে ভৰি দুখন গৰম পানীত ১০ মিনিট মান সুমুৱাই ৰাখিব লাগে। এই ক্রিয়া প্রতি ২-৩ ঘণ্টাৰ মূৰে-মূৰে কৰিব লাগে। বুকু গৰম কাপোৰেৰে ঢাকি, মূৰত ছালকুঁৱৰীৰ পাতৰ মজ্জাৰ ভৰণ দিব লাগে আৰু লগে-লগে চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে।

### প্ৰস্ৰাৱৰ কষ্টৰ বাবে মূৰ্চ্ছা (uraemia) গ'লে :

**চিকিৎসা ১ :** নাভিৰ চাৰিওফালে অলপ গৰুৰ ঘিঁউ বা তেল সানি লৈ তাৰ ওপৰত নহৰু মিহিকৈ বটি লেপ দিলে শীঘ্রে প্রস্রাব হৈ জ্ঞান ফিৰাই পায়।

**চিকিৎসা ২ :** আমলখি খুব মিহিকৈ বটি লৈ তাৰ সমপৰিমাণে বগা চন্দনৰ গুড়ি মিহলি কৰি নাভিৰ চাৰিওফালে লেপ দিলেও উক্ত বিকাৰ নাশ হয়।

### অম্লপিত্ত বা অন্য কোনো পিত্তৰ বিকাৰৰ বাবে জ্ঞান লোপ পালে বা মূৰ্চ্ছা গ'লে :

**চিকিৎসা ১ :** বিট লৱণ বা সৈন্ধব লৱণ নাইবা আমি খোৱা সমুদ্র লৱণ মিহিকৈ গুড়ি কৰি অলপ-অলপকৈ জিভাত লগাই দিলে বমি হৈ হালধীয়া তিতা পানী ওলাই যায় আৰু জ্ঞান ফিৰি আহে।

**চিকিৎসা ২ :** নাকৰ ওচৰত জালুকৰ ধোঁৱা দিলেও সংজ্ঞা ফিৰি আহে।

### অধিক জ্বৰত কঁপনি উঠি ৰোগী মূৰ্চ্ছা গ'লে :

**চিকিৎসা ১ :** ৰোগীৰ ভৰি আৰু হাতৰ তলুৱা, কাষলতি আদিত বটলত গৰম পানী ভৰাই বা বালি ভাজি টোপোলা কৰি গৰম সেক দিলে জ্ঞান ফিৰাই পায়।

**চিকিৎসা ২ :** সুযোগ বুজি কঁপনি কমাৰ সময়ত গৰম গাখীৰ বা গৰম পানী অলপ-অলপকৈ খুৱালে ভাল হয়।

## সান্নিপাতিক জ্বৰত (typhoid fever) সংজ্ঞা নাশ হ'লে :

**চিকিৎসা ১ :** চজিনাৰ শিপাৰ ৰস বা গুড়ি নাকেৰে টনালে অতি সোনকালে সংজ্ঞা ফিৰাই পায়।

**চিকিৎসা ২ :** জালুকৰ ধোঁৱা নাকৰ ওচৰত ধৰিলেও (দিলেও) শীঘ্ৰে সংজ্ঞা ঘূৰি আহে।

## জ্বৰ যথেষ্ট বাঢ়ি গৈ ৰোগীয়ে ভুল বকিলে :

**চিকিৎসা ১ :** ছালকুঁৱৰীৰ পাতৰ মজ্জা মূৰৰ তালু প্ৰদেশত আৰু তলপেটত ভৰণ (লেপ) দিলে বেছি পৰিমাণে প্ৰস্ৰাৱ হৈ জ্বৰ কমি যায় আৰু ভুল বকাও বন্ধ হয়।

**চিকিৎসা ২ :** পাতেগজাৰ পাত বটি লৈ তালু আৰু তলপেটত লেপ দিলেও প্ৰস্ৰাৱ হৈ উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ৩ :** মূৰত ঠাণ্ডা পানী ঢলাৰ লগতে শেৱালি ফুলৰ পাতৰ ৰস ১০-২০ মিলি. অলপ মৌৰ লগত ৬ ঘণ্টাৰ মূৰে-মূৰে খুৱালে জ্বৰ কমি ভুল বকা বন্ধ হয়।

## জ্বৰ বেছি হোৱাৰ বাবে হাত-ভৰি আদি শৰীৰৰ অঙ্গত কামোৰণি, অতি পিয়াহ, শৰীৰৰ পোৰণি, বমি, মূৰৰ বিষ, আদি হ'লে :

**চিকিৎসা ১ :** তিতাকেৰেলাৰ পাতৰ ৰস ৫ মিলি. অলপ গৰম কৰি বা গৰম পানীৰ লগত ২-৩ ঘণ্টাৰ অন্তৰে-অন্তৰে কেইবাৰমান খালে জ্বৰ কমি গৈ উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ২ :** ৫-১০ মিলি. অমিতাৰ পাতৰ ৰস ২৫-৫০ মিলি. পানীৰ লগত দিনত ২-৩ বাৰকৈ খালে জ্বৰ কমে আৰু লগে-লগে অন্য উপসৰ্গবোৰ নাশ হয়।

**চিকিৎসা ৩ :** শেৱালি ফুলৰ পাতৰ ৰস ১০-২০ মিলি., তুলসীৰ পাতৰ ৰস ১০-২০ মিলি. আৰু মৌ ৫-১০ গ্ৰাম একেলগে মিহলি কৰি প্ৰতি

৩-৪ ঘণ্টাৰ অন্তৰে-অন্তৰে খালে জ্বৰ কমাৰ লগতে জ্বৰৰ বাবে হোৱা অন্য বিকাৰো নাশ হয়।

## অধিক পৰিমাণে হিকটি (হিক্কা) হৈ থাকিলে :

**চিকিৎসা ১ :** এগিলাচ ঠাণ্ডা পানী একেদমত খাই অলপ সময় নিশ্বাস বন্ধ কৰি থাকিলে হিকটি বন্ধ হয়।

**চিকিৎসা ২ :** শুকান হালধি বা গোটা মাটিমাহ পুৰি তাৰ ধোঁৱা ল'লেও হিকটি বন্ধ হয়।

**চিকিৎসা ৩ :** ডাবৰ পানী অলপ গৰম কৰি ৫-১০ মিলি.কৈ কেইবাৰমান খালে হিকটি ভাল হয়।

**চিকিৎসা ৪ :** জালুকৰ ধোঁৱা ল'লেও হিকটি নিৰাময় হয়।

**চিকিৎসা ৫ :** ১০-২০ মিলি. নেমু টেঙাৰ ৰস অলপ সৈন্ধৱ লৱণৰ লগত দিনত ২-৩ বাৰকৈ খালে হিকটি ভাল হয়।

## নিউম'নিয়া হৈ জ্বৰ যথেষ্ট বাঢ়ি গ'লে :

**চিকিৎসা ১ :** অগৰু তেল ১০-২০ ফোটা ৫০ মিলি. পানীৰ লগত মিহলি কৰি তাত কাপোৰ তিয়াই ৰোগীক জলপতি দিলে জ্বৰ কমি যায়।

## দাঁতৰ গুৰিৰে তেজ ওলালে :

**চিকিৎসা ১ :** মহানিম, যজ্ঞ ডিমৰু, ভোতোৰা নাইবা সৌৰাৰ সৰু ঠাৰিৰে দাঁত মাজিলে দাঁতৰ গুৰিৰে তেজ ওলোৱা বন্ধ হোৱাৰ লগতে দাঁতৰ অন্য বিকাৰো নাশ হয়।

**চিকিৎসা ২ :** তামোল পুৰি খুব মিহিকৈ গুড়ি কৰি কাপোৰেৰে ভালদৰে চেকি লৈ সেই গুড়িৰে দাঁত মাজিলে তেজ ওলোৱা বন্ধ হয়।

**চিকিৎসা ৩ :** জামু গছৰ বাকলি বা দুধকুড়ি গছৰ বাকলি নাইবা মহানিম গছৰ বাকলি অথবা যজ্ঞ ডিমৰুৰ গছৰ বাকলিৰ কহ কৰি সেই কহ ঠাণ্ডা হ'লে তাৰে খুব ভালদৰে কুলকুলি কৰাৰ উপৰিও কিছু সময় মুখত লৈ থাকিলে দাঁতৰ গুৰিৰে তেজ ওলোৱা বন্ধ হোৱাৰ লগতে মুখৰোগ বিশেষকৈ মুখৰ ঘাঁ নিৰাময় হয়।

**চিকিৎসা ৪ :** খেৰা গছৰ বাকলিৰ ৰস কৰি চেকি লৈ ঠাণ্ডা হ'লে সেই ৰসৰে কুলকুলি কৰিলে দাঁতৰ গুৰিৰে তেজ ওলোৱা আৰু মুখৰ ঘাঁ ভাল হয়।

**চিকিৎসা ৫ :** ডালিমৰ ফুলৰ গুড়ি বা পাতৰ মিহি গুড়িৰে দাঁত ঘঁহিলেও দাঁতৰ গুৰিৰে তেজ ওলোৱা ভাল হয়।

**চিকিৎসা ৬ :** কেহৰাজ বা পিত ভৃঙ্গৰাজৰ পাতৰ মিহি গুড়িৰে দাঁত ঘঁহিলে তেজ আৰু পূঁজ ওলোৱা বন্ধ হয়।

## প্ৰস্ৰাৱৰ লগত তেজ গ'লে :

**চিকিৎসা ১ :** দিনত কমেও ৪-৫ লিটাৰ পানী আৰু চেনি ২৫০ গ্ৰাম খালে উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ২ :** কেঁচা মূলা চকলা-চকলিকৈ কাটি পানীত সিজাই চেকি লৈ ঠাণ্ডা হ'লে সেই পানী ২০০ মিলি. কৈ দিনত ৩-৪ বাৰকৈ খালে প্ৰস্ৰাৱৰ লগত তেজ যোৱা বন্ধ হয়।

## তিৰোতা বা ছোৱালীৰ যি কোনো কাৰণত অধিক পৰিমাণে ৰক্তস্ৰাৱ হ'লে :

**চিকিৎসা ১ :** দুবৰি বনৰ ৰস ২০-৩০ মিলি. অলপ মৌৰ লগত দিনত ৩-৪ বাৰ খোৱাৰ লগতে মৌ মিহলি দুবৰি বনৰ ৰস কপাহ বা নেপকিন তিয়াই যোনিত ধাৰণ কৰিলে ৰক্তস্ৰাৱ বন্ধ হয়।

**চিকিৎসা ২ :** বাহকাৰ পাতৰ ৰস ১০-২০ মিলি. অলপ মৌৰ লগত দিনত ২-৩ বাৰ খালে উক্ত বিকাৰ নিৰাময় হয়।

**চিকিৎসা ৩ :** ছালকুঁৱৰীৰ পাতৰ মজ্জা তলপেটত ভৰণ দিলে জৰায়ু আৰু তলপেট ঠাণ্ডা হৈ ৰক্তস্ৰাৱ বন্ধ হয়।

**চিকিৎসা ৪ :** বনশঠৰ কেঁচা পাত ২৫ গ্ৰাম আৰু দুবৰি ১০ গ্ৰাম একেলগে মিহিকৈ বটি ৫০ মিলি. পানীত গুলি চেকি লৈ গৰুৰ গাখীৰ ১০০ মিলি. আৰু মিছিৰি ১০ গ্ৰাম মিলাই দিনত দুবাৰকৈ খালে উক্ত বিকাৰ নাশ হয়।


**চিকিৎসা ৫ :** দুবৰি বনৰ ৰস ১০-২০ মিলি. গৰুৰ কেঁচা গাখীৰ বা মৌৰ লগত দিনত ২-৩ বাৰ খালে আৰু লগত দুবৰি বন মিহিকৈ বটি পানীৰ

তলৰ বোকা মাটিৰ লগত মিহলি কৰি তলপেটত ভৰণ দিলে নিশ্চিত ভাবে ৰক্তস্রাৱ বন্ধ হয়।

## হাড় ভাঙিলে :

**চিকিৎসা ১ :** প্ৰথমে হাড় ভঙা অঙ্গ যি অৱস্থাত ৰাখিলে ৰোগীয়ে ভাল পায়, তেনে অৱস্থাতে ৰাখি চিকিৎসকৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। যদিহে লগে-লগে চিকিৎসকৰ ওচৰলৈ নিব নোৱাৰে তেনেহ'লে কেঁচা হালধি বটি লেপ দি বিষ কমাব লাগে আৰু পিচদিনা চিকিৎসকক দেখুৱাই ব্যৱস্থা ল'ব লাগে।


**চিকিৎসা ২ :** যদি হাড়ৰ বিষয়ে জ্ঞান থাকে, তেনেহ'লে টানি হাড় ঠিক অৱস্থালৈ আনি হাড়জোৰা লতাৰ ওপৰৰ বাকলি গুচোৱা ২ ভাগ, চজিনাৰ বাকলি আধা ভাগ, পচতীয়াৰ পাত ১ ভাগ আৰু এৰাৰ শিপা আধা ভাগ মিহিকৈ বটি ভঙা ঠাইৰ কিছু দূৰৰপৰা ভালদৰে লেপ দি বান্ধি দিব লাগে। এনে কৰিলে ৭-৮ দিনৰ ভিতৰতে হাড় জোৰা লাগে আৰু বিষ লগে-লগে কমি যায়। অকল হাড়জোৰা লতা বটি লেপ দিলেও সুফল পোৱা যায়।



হাতৰ হাড় ভগা ঠাইডোখৰ ফুলি উঠিছে।



হাড় ভগা ঠাইৰ চাৰিওফালে লেপ দিয়া হৈছে।



লেপৰ ওপৰত দুডোখৰ কামি দিয়া হৈছে।



কামি দুডাল বেন্দেজ কাপোৰ মেৰিয়াই বন্ধা হৈছে।

## বেয়াকৈ পৰি বা পিচল খোৱাৰ ফলত মোচোকা খালে :

**চিকিৎসা ১ :** বনশঠ খুব মিহিকৈ বটি মোচোকা খোৱা অঙ্গৰ চাৰিওফাল লেপ দিলে বিষ আৰু ফুলা খুব সোনকালে কমি যায়।

**চিকিৎসা ২ :** কেঁচা হালধি বটি লেপ দিলে অতি শীঘ্ৰে সুফল পোৱা যায়।

**চিকিৎসা ৩ :** মোচোকা খোৱা অঙ্গত প্ৰথমে খুব পাতলকৈ চূণৰ লেপ দি ওপৰত গুড়ৰ লেপ দিলে বিষ আৰু ফুলা কমি যায়।

**চিকিৎসা ৪ :** অৰ্জুন গছৰ কেঁচা বাকলি আৰু নহৰু মিহিকৈ বটি মোচোকা খোৱা ঠাইত লেপ দিলে বিষ আৰু ফুলা কমি খুব সোনকালে মোচোকা খোৱা ভাল হয়।

## বৰল, মৌ-মাখিয়ে কামুৰিলে আৰু বিছাই ডাকিলে :

**চিকিৎসা ১ :** প্ৰথমে বৰল বা মৌ-মাখিৰ শুংডাল উলিয়াই পেলাব লাগে। নহ'লে ঘাঁ হ'ব পাৰে। শুংডাল উলিয়াবলৈ কঁঠালৰ আঠা অতি উত্তম। কঁঠালৰ আঠা কামোৰা বা ডকা ঠাইৰ ওপৰত খুব লাহে-লাহে ঘূৰাই দিলে তাত শুংবোৰ লাগি আহে। ইয়াৰ পিছত তলত দিয়াৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিলে অতি সোনকালে তাৰ বিষ আদি নাশ হয়।

(১) কেৰাচিন তেল ঘঁহি দিলে উপৰোক্ত কীট দংশন বিকাৰ নিৰাময় হয়।

(২) জালুকৰ মিহি গুড়ি ঘঁহিলেও সুফল পোৱা যায়।

(৩) ক'লা কচুৰ আঠা বা পুঁই শাকৰ পাত কাটি লেপ দিলেও আৰাম পোৱা যায়।

(৪) মৌ-মাখিয়ে কামুৰিলে শুং উলিয়াই লগে-লগে মৌ লগাই দিলে বিষ লগে-লগে কমি যায়।

(৫) বিছাই ডাকিলে কেঁচা গৰুৰ গোবৰ সানি দিলে ভাল হয়।

(৬) বিছাই ডাকিলে কাণৰ লতিত আৰু ডকা ঠাইত চূণৰ লেপ দিলেও সুফল পোৱা যায়।

(৭) বিছাই ডাকিলে অপৰাজিতাৰ শিপা বটি লেপ দিলেও নিৰাময় হয়।
(৮) মহানিমৰ পাত খুব ভালদৰে মোহাৰি লৈ বিছাই ডকা ঠাইত ঘঁহি দিলে খুব সোনকালে ভাল হয়।

## কৃমিৰ উপদ্ৰৱত কেতিয়াবা গাত চকাচকি দি উঠি খজুৰতি হ'লে বা ৰঙা পৰিলে :

**চিকিৎসা ১ :** বেৰৰ মাটি মিহি গুড়ি কৰি গাত সানিলে আৰাম পোৱা যায়।
**চিকিৎসা ২ :** ভীম কল (আঠিয়া কল) গছৰ আঁহ (দোনাৰ কাষৰ আঁহ) গুৰিতে ছিঙি টানি উলিয়াই আনি নাভিত পৰাকৈ মালাৰ দৰে পিন্ধিলে খুব সোনকালে উক্ত বিকাৰ নাশ হয়।

## সৰু ল'ৰা-ছোৱালীৰ পেট কামোৰণি হ'লে :

**চিকিৎসা ১ :** মানিমুনি খুব মিহিকৈ বটি তলপেটত ভৰণ দিলে কামোৰণি কমি যায়।
**চিকিৎসা ২ :** পদিনাৰ পাতৰ ৰস ৫-১০ ফোটা অকণমান চেনি আৰু লৱণ মিহলি কৰি দিনত ২-৩ বাৰ খুৱালে ভাল হয়।

## অধিক পৰিমাণে পানী (চৰ্দি) লাগিলে বা যি কোনো কাৰণত পেটৰ বিষ হ'লে :

**চিকিৎসা ১ :** কেঁচা হালধিৰ ৰস ৫০ মিলি. গৰুৰ গাখীৰ ২০০ মিলি.ৰ লগত মিহলি কৰি দিনত ২-৩ বাৰ খালে কমি যায়।
**চিকিৎসা ২ :** পচতীয়াৰ পাতৰ ৰস ২০ মিলি., তুলসী পাতৰ ৰস ২০ মিলি., শেৱালি ফুলৰ পাতৰ ৰস ১০ মিলি., জালুকৰ গুড়ি ১ গ্ৰাম, সুৰগাৰ আখৈৰ গুড়ি ৫০০ কিগ্ৰাম. আৰু মৌ ১০ গ্ৰাম একেলগে (ই ডাঙৰৰ বাবে; ১০ বছৰৰ ওপৰ বয়সৰ বাবে একমাত্ৰা) দিনত ৩ বাৰকৈ খালে পানী লগা নাশ হয়।

## চকু নামিলে, ৰঙা পৰিলে :

**চিকিৎসা ১ :** গোলাপ জলৰে চকু ধোৱাৰ লগতে ২ ফোটাকৈ দিনত ৩-৪ বাৰ দিলে উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ২ :** হালধি সিজাই চেকি লৈ ঠাণ্ডা হ'লে সেই পানীৰে চকু ধুব লাগে আৰু এই ৰসত এখন পৰিস্কাৰ কাপোৰ তিয়াই বাৰে-বাৰে চকু মচি থাকিলে চকুৰ যন্ত্ৰণা, ৰঙা পৰা, আদি কমি যায়।

**চিকিৎসা ৩ :** যজ্ঞ ডিমৰুৰ ফল নাড়ী দুগ্ধৰ লগত লৌহ পাত্ৰত ঘঁহি চন্দন তুলি এই চন্দন চকু দুটা মুদি (বন্ধ) থাকি তাৰ ওপৰত লেপ দিলে (এবাৰ লেপ দিয়াৰ পিছত শুকাই গ'লে হালধি সিজোৱা পানীৰে ধুই পুনঃ বাৰ দিব) উক্ত বিকাৰ নাশ হয়।

**চিকিৎসা ৪ :** গৰুৰ গাখীৰৰ মঠাদৈৰ মখা চকু বন্ধ কৰি চকুত দি ৰাখিলে চকুৰ যন্ত্ৰণা কমি যায়।

**চিকিৎসা ৫ :** ত্ৰিফলাৰ (শিলিখা, আমলখি আৰু ভোমোৰা প্ৰত্যেকৰে ওজনত সমপৰিমাণে ল'ব) কহ কৰি ভালদৰে কাপোৰেৰে চেপি লৈ চকু ধুব আৰু এই কহত পৰিষ্কাৰ কাপোৰ নাইবা কপাহ তিয়াই বাৰে-বাৰে চকু মুচিব। এনে কৰিলে উক্ত ৰোগ সোনকালে নিৰাময় হয়।

## জোকে ধৰিলে বা কামুৰিলে :

**চিকিৎসা ১ :** হালধিৰ ৰস বা গুড়ি জোকৰ মুখত দিলে জোক পৰি যায়। জোক পৰি যোৱাৰ পিছত জোকে কামোৰা ঠাই গৰম পানীৰে ধুই হালধিৰ ৰস বা গুড়ি লগাই দিলে তেজ বন্ধ হয় আৰু ঘাঁও শুকাই যায়।

## দাঁত পোকে খাই বিষ হ'লে :

**চিকিৎসা ১ :** কঁটা বেঙেনাৰ ফল পুৰি তাৰ ধোঁৱা দাঁতৰ গুৰিত লগালে বিষ নাশ হয়।

**চিকিৎসা ২ :** নীলা অপৰাজিতাৰ শিপা চোবাই বিষাই থকা দাঁতৰ গুৰিত লৈ থাকিলে বিষ কমি যায়।

**চিকিৎসা ৩ :** নহৰুৰ ফোটা এটা অকণমান কাটি বিষোৱা দাঁতৰ গুৰিত ৰাখিলেও বিষ কমি যায়।

**চিকিৎসা ৪ :** লবঙ্গ তেল কপাহ অকণমানত লগাই বিষোৱা দাঁতৰ গুৰিত লগাই দিলে বা লং এটা চোবাই দাঁতৰ গুৰিত ৰাখিলে লগে-লগে বিষ কমি যায়।

**চিকিৎসা ৫ :** দুধকুড়িবাদুৰ বাকলিৰ মিহি গুড়িৰে দাঁত মজিলে দাঁতৰ বিষ নাশ হয়।

## কৃমিৰ বৃদ্ধিৰ বাবে পেটৰ বিষ হ'লে :

**চিকিৎসা ১ :** চিৰতাৰ গুড়ি ২৫০-৫০০ মিগ্ৰা. অলপ মৌৰ লগত দিনত দুবাৰ খালে পেটৰ বিষ কমি যায়।

## যি কোনো কাৰণত মূৰৰ বিষ হ'লে :

**চিকিৎসা ১ :** মধুৰীআমৰ পূৰঠ কেঁচা ফল শিলত ঘঁহি চন্দন তুলি লৈ সেই চন্দনেৰে কপালত লেপ দিলে মূৰৰ বিষ কমি যায়।

**চিকিৎসা ২ :** কঁঠাল গছৰ শিপাৰ ৰসেৰে কপালত মালিচ কৰিলে মূৰৰ বিষ নোহোৱা হয়।

**চিকিৎসা ৩ :** ছালকুঁৱৰীৰ পাতৰ ৰস অলপ হালধিৰ গুড়িৰ লগত মিহলাই কপালত লেপ দিলে মূৰৰ বিষ উপশম হয়।

**চিকিৎসা ৪ :** খেজুৰ গুটিৰ সাহ অকণমান পানীৰ লগত মিহিকৈ বটি কপালত লেপ দিলে মূৰৰ বিষ ভাল হয়।

**চিকিৎসা ৫ :** অপৰাজিতাৰ শিপা আৰু লতা দুয়োবিধ সমপৰিমাণে লৈ ঠেতেলাই ৰস উলিয়াই ভালদৰে চেকি লৈ ২-৩ ফোটাকৈ দুয়োটা নাকেৰে টানিলে মূৰৰ বিষ নিৰাময় হয়।

**চিকিৎসা ৬ :** পাৰুলৰ গুটি পানীৰ লগত শিলত ঘঁহি চন্দন তুলি সেই চন্দনেৰে কপালত লেপ দিলে মূৰৰ বিষ সোনকালে নিৰাময় হয়।

**চিকিৎসা ৭ :** এৰাৰ শিপা অলপ গৰুৰ দৈ গাখীৰৰ লগত মিহিকৈ বটি কপালত লেপ দিলে মূৰৰ বিষ ভাল হয়।

**চিকিৎসা ৮ :** লাইজাবৰি বনৰ ৰস নাকেৰে টানিলে ছাইন'ছানাইটিছৰ বাবে হোৱা মূৰৰ বিষ নাশ হয়।
**চিকিৎসা ৯ :** নেমু টেঙাৰ ৰসৰ লগত অকণমান গলি থকা ঘিঁউ মিহলাই কপালত লেপ দিলে মূৰৰ বিষ কমি যায়।
**চিকিৎসা ১০ :** কেশৰাজ বা পীত ভৃঙ্গৰাজৰ পাতৰ ৰস ২-৩ ফোটা দুয়োটা নাকেৰে টানিলেও মূৰৰ বিষ উপশম হয়।
**চিকিৎসা ১১ :** বগৰীৰ কোমল পাতৰ ওপৰৰ পিনে অকণমান গৰুৰ ঘিঁউ মচি দুয়োটা কুমত লগাই দিলে ধীৰে-ধীৰে টাইফয়ড জ্বৰৰ বাবে হোৱা মূৰৰ বিষ আৰু অন্য কাৰণত হোৱা মূৰৰ বিষ ভাল হয়। মূৰৰ বিষ কমাৰ লগে-লগে বগৰীৰ পাত পৰি যায়।
**চিকিৎসা ১২ :** পদিনাৰ পাত মিহিকৈ বটি কপালত লেপ দিলেও মূৰৰ বিষ কমি যায়।

## মাহেকীয়াৰ সময়ত কঁকাল, পেট নাইবা উৰতৰ বিষ হ'লে :

**চিকিৎসা ১ :** ওলট কম্বলৰ শিপাৰ ৰস ৫ মিলি. অলপ চেনি মিহলি কৰি দিনত ২-৩ বাৰ খালে উক্ত বিকাৰ নাশ হয়।
**চিকিৎসা ২ :** ভজা হিং ১২৫-২৫০ মিগ্ৰা. কুহুমীয়া গৰম পানীৰ লগত খালে উক্ত বিষ নিৰাময় হয়।

## তেজ হাগনি হৈ থাকিলে :

**চিকিৎসা ১ :** দুধকুড়ি গছৰ বাকলি ১০ গ্ৰাম আৰু ডালিমৰ ফলৰ বাকলি ১০ গ্ৰাম একেলগে ৫০০ মিলি. পানীত সিজাই ১০০ মিলি. পানী থকা অৱস্থাত নমাই চেকি থ'ব। ঠাণ্ডা হ'লে সমানে দুভাগ কৰি দিনত দুবাৰকৈ খালে তেজ হাগনি ভাল হয়।
**চিকিৎসা ২ :** মানিমুনিৰ ৰস ২০ মিলি.ৰ লগত দুবৰি বনৰ ৰস ২০ মিলি. মিহলি কৰি দিনত ২-৩ বাৰকৈ খালে শৌচৰ লগত তেজ পৰা বন্ধ হয়।

**চিকিৎসা ৩ :** ১০-১২ মিলি. মধুৰীআমৰ কোমল পাতৰ ৰস ছাগলীৰ গাখীৰ ৩০-৫০ মিলি.ৰ লগত দিনে ২-৩ বাৰকৈ খালে শীঘ্রে শৌচৰ লগত তেজ পৰা বন্ধ হয়। এনেদৰে ব্যৱহাৰ কৰিলে শাওঁ হাগনিও ভাল হয়।

## যি কোনো কাৰণত শৰীৰৰ পোৰণি হ'লে :

**চিকিৎসা ১ :** শুকান খেজুৰ ৪-৫টাৰ গুটি গুচাই অকল সাহখিনি অলপ পানীত ১-২ ঘণ্টা মান সময় তিয়াই থৈ পিছত সেই পানীৰে খুব মিহিকৈ বটি (ই একমাত্রা) দিনত ২-৩ বাৰ খালে শৰীৰৰ পোৰণি উপশম হয়। লগতে অতি পানীৰ পিয়াহো কমি যায়।

**চিকিৎসা ২ :** সিদ্ধিলতাৰ ৰস ১০-২০ মিলি. অলপ মিছিৰিৰ গুড়ি মিহলি কৰি দিনত ২ বাৰকৈ খালে সুফল পোৱা যায়।

**চিকিৎসা ৩ :** বগা চন্দন চাউলধোৱা পানীৰে শিলপতাত ঘঁহি চন্দন তুলি সেই চন্দনৰ ৫ গ্ৰাম অলপ মৌ মিহলি কৰি চাউল ধোৱা পানীৰে দিনত দুবাৰকৈ খালে শৰীৰৰ পোৰণি কমাৰ লগতে অতি পানীৰ পিয়াহ আৰু প্ৰস্ৰাৱৰ কষ্ট নাশ হয়।

**চিকিৎসা ৪ :** তিতাকেৰেলাৰ পাতৰ ৰস শৰীৰত মালিচ কৰিলেও (সানিলে) দেহাৰ পোৰণি কমি যায়।

**চিকিৎসা ৫ :** শেৱালি ফুলৰ গছৰ বাকলিৰ গুড়ি ১-৩ গ্ৰামকৈ পুৰা-গধূলি গৰম পানীৰে খালে পোৰণি ভাল হয়।

**চিকিৎসা ৬ :** অধিক পৰিমাণে (দিনত ৪-৫ লিটাৰ) ঠাণ্ডা পানী খালেও প্ৰস্ৰাৱ অধিক পৰিমাণে হৈ শৰীৰৰ পোৰণি কমি যায়।

## শৰীৰৰ যি কোনো অঙ্গৰপৰা যেনে নাক, মুখ, চকু, কাণ, শৌচাদ্বাৰ, প্ৰস্ৰাৱৰ দ্বাৰ বা শৰীৰৰ নোমৰ গুৰিৰে ৰক্তস্ৰাৱ (ৰক্তপিত্ত) হ'লে :

**চিকিৎসা ১ :** খেজুৰৰ ফলৰ গুড়ি ২-৪ গ্ৰাম অলপ মৌৰ লগত দিনত ২ বাৰকৈ খালে এনে বিকাৰ ভাল হয়।

**চিকিৎসা ২ :** বগা চন্দনৰ গুড়ি ৩-৬ গ্ৰাম আৰু বাহকাৰ পাতৰ ৰস ১০-২০ মিলি. একেলগে অলপ মৌৰ লগত দিনত দুবাৰকৈ খালে সকলো প্ৰকাৰ ৰক্তস্ৰাৱ নিবাৰণ হয়।

**চিকিৎসা ৩ :** আমলখিৰ গুড়ি ৬ গ্ৰাম অলপ গৰুৰ ঘিঁউ আৰু চেনিৰ লগত দিনত দুবাৰকৈ নাইবা আমলখিৰ ৰস ২০ মিলি. অলপ মৌৰ লগত দিনত ২-৩ বাৰকৈ খালে সোনকালে নাক, মুখ, কাণ আৰু চকুৰে হোৱা ৰক্তস্ৰাৱ বন্ধ হয়।

**চিকিৎসা ৪ :** বাহকাৰ পাতৰ ৰস ২০ মিলি. মৌ ১০ গ্ৰামৰ লগত দিনত ২-৩ বাৰকৈ খালে ৰক্তস্ৰাৱ বন্ধ হয়। হাঁওফাঁওৰপৰা হোৱা তেজ বমিৰ বাবে ই শ্ৰেষ্ঠ ঔষধি।

**চিকিৎসা ৫ :** ডালিমৰ ডালৰ ৰস ২০-৫০ মিলি. অলপ মিছিৰিৰ গুড়িৰ লগত দিনত ৩-৪ বাৰ খালে ৰক্তস্ৰাৱ বন্ধ হয়।

**চিকিৎসা ৬ :** সোণাৰুৰ ফলৰ মজ্জা ৫-১০ গ্ৰাম পানী ২৫ মিলি. বা গৰুৰ গাখীৰ ২৪ মিলি.ৰ লগত গুলি, চেকি লৈ, অলপ মৌ বা চেনি মিহলি কৰি দিনত দুবাৰকৈ খালে নাক, মুখ, চকু, কাণেৰে হোৱা ৰক্তস্ৰাৱ ভাল হয়।

**চিকিৎসা ৭ :** নেমুটেঙাৰ ফুল ২ গ্ৰাম চাউলধোৱা পানীৰ লগত মিহিকৈ বটি দিনত ৩-৪ বাৰকৈ খালে ৰক্তস্ৰাৱ বন্ধ হয়।

**চিকিৎসা ৮ :** চুফাৰি মিহিকৈ গুড়ি কৰি ১-৩ গ্ৰাম, আমলখি তিয়াই থোৱা পানী ২০-৩০ মিলি.ৰ লগত দিনত ২-৩ বাৰকৈ খালে ৰক্তস্ৰাৱ ভাল হয়।

## যি কোনো কাৰণত ভৰিৰ তলুৱাত অতি পোৰণি হ'লে :

**চিকিৎসা ১ :** সিদ্ধিলতা আৰু এৰাৰ গুটি দুয়োবিধ সমপৰিমাণে লৈ খুব মিহিকৈ বটি ভৰিৰ তলুৱাত খুব ভালদৰে সানিলে পোৰণি নাশ হয়।

**চিকিৎসা ২ :** নেমু টেঙাৰ ৰস ৫ মিলি., পানী ১০ ফোটা, সৰিয়হৰ তেল ৫ মিলি. আৰু অকণমান লৱণ এই গোটেই কেইবিধ দ্ৰব্য ভালদৰে মিহলি কৰি ভৰিৰ তলুৱাত সানিলে খুব সোনকালে পোৰণি নাশ হয়।

## পানীৰ অতি পিয়াহ লাগিলে :

**চিকিৎসা ১ :** ডালিমৰ দানাৰ ৰস ২০-৫০ মিলি.ৰ লগত নেমু টেঙাৰ ৰস ৫-১০ মিলি. মিহলি কৰি দিনে ৩-৪ বাৰ খালে কমি যায়।

**চিকিৎসা ২ :** ধনিয়া ভাজি পানীত কিছু সময় তিয়াই ৰাখি সেই পানীত অলপ মিছিৰি মিহলি কৰি সঘনাই অলপ-অলপকৈ খালে পানীৰ পিয়াহ কমি যায়।

## সংক্ৰামক ৰোগৰপৰা ৰক্ষা পৰিবৰ বাবে :
## চাৰিওফালে হাইজা বা তেজ হাগনি হ'লে :

(১) শিলিখা এটা কাটি সূতাৰে হাতত, গলত বা কঁকালত বান্ধি ৰাখিলে অতি উত্তম ফল পোৱা'যায়।

(২) চৰ্মৰোগৰপৰা হাত সাৰি থাকিবৰ বাবে সপ্তাহত কমেও ৩ দিন তিতা খাব লাগে।

(৩) বহাগত সাত বিহুৰ ভিতৰত ৭ বিধ তিতা সংগ্ৰহ কৰি আনি প্ৰত্যেকৰে সমপৰিমাণে লৈ মিহিকৈ বটি ৩৭৫ মিগ্ৰা. পৰিমাণৰ বড়ি বনাই ৰ'দত শুকুৱাই লৈ প্ৰতিদিনে ৰাতিপুৱা সৰুৱে ১টা আৰু ডাঙৰে ৩টা বড়ি ৰাতিপুৱা খালি পেটত পানীৰে খালে বসন্ত, ছালৰ বেমাৰ নহয় আৰু প্ৰবাদ আছে যে বিষাক্ত সাপে কামুৰিলেও হেনো তাৰ বিষক্ৰিয়া নহয়। ই কৃমিকো দমন কৰি ৰাখে।

(৪) বসন্ত ৰোগ আহিলে কণীৰ সদৃশ আৰু বগা বেঙেনাৰ শিপা হাত বা গলত বান্ধি ৰাখিলে বসন্ত হোৱাৰ ভয় নাথাকে।

——x——

Bonoukhodhire Akasmik Rogar Sikissa : A booklet on first aid by herbal drugs (medicine)

Written by Dr. Ganesh Chandra Dev Sarma MD (Ayurvedic) Head, Department of Dravyaguna and Rasashastra, Government Ayurvedic College, Guwahati 781024. Published by Dr. Mohan Chandra Kalita, General Secretary, Assam Science Society, PB No. 78.

Price Rupees Five only.

© Assam Science Society

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰি, ১৯৯৮
দ্বিতীয় প্ৰকাশ
অক্টোবৰ, ২০০০

মূল্য : পাঁচ টকা

মুদ্ৰণ : শৰাইঘাট ফটো টাইপছ্
উদ্যোগ পাম, বামুণীমৈদাম
গুৱাহাটী ৭৮১ ০২১